ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# সাপ্তাহিক অৱকাশ অধিনিয়ম, ১৯৪২

( ১৯৪২ চনৰ ১৮ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Weekly Holidays Act, 1942

( Act No. 18 of 1942 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান সাপ্তাহিক অৱকাশ অধিনিয়ম, ১৯৪২ (১৯৪২ চনৰ ১৮ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনুভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৪৯-৫২ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Weekly Holidays Act, 1942 (18 of 1942) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 49 - 52.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# সাপ্তাহিক অৱকাশ অধিনিয়ম, ১৯৪২

## ধাৰা সমূহৰ ক্ৰম

ধাৰা সমূহ -


১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ ।

২। পৰিভাষা ।

৩। দোকানৰ বন্ধ ।

৪। দোকান, ভোজনালয় আৰু থিয়েটাৰ সমূহত সাপ্তাহিক অৱকাশ ।

৫। অতিৰিক্ত আধা দিনৰ বন্ধ বা অৱকাশ ।

৬। মজুৰিৰ পৰা কোনো কৰ্ত্তন বা হ্ৰাসকৰণ ।

৭। পৰিদৰ্শক সকল ।

৮। পৰিদৰ্শক সকলৰ ক্ষমতাসমূহ ।

৯। দণ্ড সমূহ ।

১০। নিয়মাবলী ।

১১। ৰেহাই আৰু নিলম্বিতকৰণৰ ক্ষমতা ।

# সাপ্তাহিক অৱকাশ অধিনিয়ম, ১৯৪২

( ১৯৪২ চনৰ অধিনিয়ম নং ১৮ )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[ ৩ এপ্রিল, ১৯৪২ ]

দোকান, ভোজনালয় আৰু থিয়েটাৰ সমূহত নিযুক্ত ব্যক্তিসকলক সাপ্তাহিক অৱকাশ দিয়াৰ ব্যৱস্থা কৰিবলৈ এখনি অধিনিয়ম।

যিহেতু দোকান, ভোজনালয় আৰু থিয়েটাৰসমূহত নিযুক্ত ব্যক্তি সকলক সাপ্তাহিক অৱকাশ দিয়াৰ ব্যৱস্থা কৰাটো সমীচীন ;

সেই হেতুকে এতদ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হ'ল ঃ-

**সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।**

১। (১) এই অধিনিয়মখন সাপ্তাহিক অৱকাশ অধিনিয়ম, ১৯৪২ নামে অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ ভাৰততে হ'ব।

(৩) যেতিয়া ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা তেনে নিৰ্দেশ দিয়ে তেতিয়াহে এই অধিনিয়মখন কোনো এখন ৰাজ্যত বা কোনো এখন ৰাজ্যৰ ভিতৰত এক বিনিৰ্দিষ্ট অঞ্চলত বলবৎ হ'ব।

**পৰিভাষা।**

২। বিষয় বা প্ৰসঙ্গত কোনো বিপৰীত অৰ্থ নাথাকিলে এই অধিনিয়মত, -

(ক) "প্ৰতিষ্ঠান" পদে দোকান, ভোজনালয় বা থিয়েটাৰ বুজাব ;

(খ) "দিন" পদে মাজনিশাৰ পৰা আৰম্ভ হোৱা চৌবিশ ঘন্টাৰ কালাৱধি বুজাব ;

(গ) "ভোজনালয়" পদে এনে কোনো প্ৰাঙ্গণক বুজাব য'ত সেই স্থানতে খাবৰ কাৰণে জনসাধাৰণক বা জনসাধাৰণৰ কোনো এক শ্ৰেণীক ভোজন বা জলপানৰ যোগান ধৰাৰ ব্যৱসায় প্ৰধানতঃ বা সম্পূৰ্ণতঃ ভাবে কৰা হয় কিন্তু কোনো থিয়েটাৰৰ লগত সংলগ্ন ভোজনালয় ইয়াৰ অন্তৰ্গত নহব ;

(ঘ) 'দোকান' পদে নাপিত বা কেশ প্ৰসাধকৰ ব্যৱসায় আৰু নিলামৰ দ্বাৰা কৰা খুচুৰা বিক্ৰীকে ধৰি যিকোনো খুচুৰা বেপাৰ বা ব্যৱসায় কৰা যিকোনো প্ৰাঙ্গণক অন্তৰ্ভুক্ত কৰিব, কিন্তু কাৰ্য্যসূচী বিক্ৰী, তালিকা বিক্ৰী আৰু থিয়েটাৰ বিলাকত কৰা আন তেনে ধৰণৰ বিক্ৰী ইয়াৰ অন্তৰ্ভুক্ত নহব ;

**(ঙ) 'থিয়েটাৰ' পদে প্ৰধানতঃ বা পূৰ্ণতঃ চলচিত্ৰ, নাটক, অভিনয় বা ৰঙ্গমঞ্চীয় মনোৰঞ্জন প্ৰদৰ্শনৰ বাবে অভিপ্ৰেত যিকোনো প্ৰাঙ্গণক অন্তৰ্ভুক্ত কৰিব ;**

(চ) 'সপ্তাহ' পদে শনিবাৰৰ মাজনিশাৰ পৰা আৰম্ভ হোৱা সাতদিনৰ কালাৱধিক বুজাব।

**দোকানৰ বন্ধ।** ৩। (১) প্ৰত্যেকখন দোকান সপ্তাহত এদিন সম্পূৰ্ণৰূপে বন্ধ থাকিব, যিটোদিন দোকানীৰ দ্বাৰা দোকানৰ কোনো এক সহজে চকুত পৰা স্থানত স্থায়ীভাৱে প্ৰদৰ্শিত জাননীত বিনিৰ্দিষ্ট কৰি দিব লাগিব।

(২) এনেদৰে বিনিৰ্দিষ্ট কৰি দিয়া দিন দোকানীৰ দ্বাৰা তিনি মাহত এবাৰতকৈ অধিক পৰিবৰ্তিত নকৰিব।

**দোকান, ভোজনালয় আৰু থিয়েটাৰ সমূহত সাপ্তাহিক অবকাশ।** ৪। কোনো দোকান, ভোজনালয় বা থিয়েটাৰত গোপনীয় কামৰ পদত বা পৰিচালনাৰ পদত নিযুক্ত ব্যক্তিৰ ব্যতিৰেকে অন্যভাবে নিযুক্ত প্ৰত্যেক ব্যক্তিক প্ৰত্যেক সপ্তাহত সম্পূৰ্ণ এটা দিনৰ অবকাশ দিব লাগিব ঃ

পৰন্তু এই ধাৰাৰ কোনো কথাই এনে কোনো ব্যক্তিৰ ওপৰত প্ৰযোজ্য নহব যাৰ প্ৰাধিকৃত ছুটীত কটোৱা দিন অন্তৰ্ভুক্ত কৰি সপ্তাহটোত কামত নিযুক্ত থকা মুঠ কালাৱধি ছদিনৰ কম হয় নাইবা দোকান খনত নিযুক্ত এনে ব্যক্তিক এটা অতিৰিক্ত অবকাশৰ হকদাৰ নকৰিব যাক ধাৰা ৩ অনুসৰি দোকান বন্ধ থকাৰ দিনা এক সম্পূৰ্ণ দিনৰ অবকাশ দিয়া হৈছে।

**অতিৰিক্ত আধা দিনৰ বন্ধ বা অবকাশ।** ৫। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা দোকান সমূহক বা কোনো বিনিৰ্দিষ্ট শ্ৰেণীৰ দোকান সমূহৰ সম্বন্ধত এইবুলি নিৰ্দেশ দিব পাৰে যে, ধাৰা ৩ৰ দ্বাৰা উপবন্ধিত দিনৰ উপৰিও প্ৰত্যেক সপ্তাহত সাপ্তাহিক দিনৰ কোনো এদিন আবেলি ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়ত কোনো সময়ত দোকানবোৰ বন্ধ দিব আৰু থিয়েটাৰ আৰু ভোজনালয় বিলাকৰ বা সেই বিলাকৰ যিকোনো এবিধৰ বা দুয়োবিধৰ কোনো বিনিৰ্দিষ্ট শ্ৰেণীৰ সম্বন্ধত এই বুলি নিৰ্দেশ দিব পাৰে যে গোপনীয় কামৰ পদৰ বা পৰিচালনাৰ পদত নিযুক্ত ব্যক্তিৰ ব্যতিৰেকে অন্যভাবে নিযুক্ত প্ৰত্যেক ব্যক্তিক প্ৰত্যেক সপ্তাহত এদিন আবেলি ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়ত সময়ৰ পৰা আধা দিনৰ অতিৰিক্ত অবকাশ দিব।

(২) ৰাজ্য চৰকাৰে এই ধাৰাৰ প্ৰয়োজনৰ বাবে বিভিন্ন দোকানৰ বাবে বা বিভিন্ন শ্ৰেণীৰ দোকানৰ বাবে অথবা বিভিন্ন অঞ্চলৰ বাবে বা বছৰটোৰ বিভিন্ন সময়ৰ বাবে বেলেগ বেলেগ সময় নিয়ত কৰিব পাৰে।

(৩) উপধাৰা (১)ৰ প্ৰয়োজনীয়তা অনুসৰি যিটো সাপ্তাহিক দিনত দোকান বন্ধ থাকিব সেই দিনটো দোকানীৰ দ্বাৰা দোকানৰ কোনো এক সহজে চকুত পৰা স্থানত স্থায়ীভাৱে প্ৰদৰ্শিত জাননীত বিনিৰ্দিষ্ট কৰি দিব লাগিব আৰু দোকানীৰ দ্বাৰা তিনিমাহত এবাৰতকৈ অধিক পৰিবৰ্তিত নকৰিব।

**মজুৰিৰ পৰা কোনো কৰ্তন বা হ্ৰাসকৰণ।** ৬। ধাৰা ৩, ৪ আৰু ৫ অনুসৰি বন্ধ ৰখা বা অবকাশ দিয়া কোনো দিনৰ বা দিনাংশৰ বাবে এই অধিনিয়ম প্ৰয়োগ হোৱা কোনো প্ৰতিষ্ঠানত নিয়োজিত কোনো ব্যক্তিৰ মজুৰিৰ কৰ্তন বা হ্ৰাসকৰণ কৰা নহব, আৰু যদি তেনে ব্যক্তি এই ভিত্তিত নিয়োজিত হয় যে তেওঁ সাধাৰণতে তেনে দিন বা দিনাংশৰ বাবে মজুৰি নাপাব তেতিয়াও তেওঁক তেনে দিনৰ বা দিনাংশৰ বাবে এনে মজুৰি

দিব লাগিব যি মজুৰি সেই দিনা বা সেই দিনাংশত প্ৰতিষ্ঠানটো বন্ধ নথকা হলে বা অবকাশ নিদিয়া হলে তেওঁ পালেহেঁতেন।

পৰিদৰ্শক সকল।

৭। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনৰ বাবে চৰকাৰে এনে প্ৰত্যেক ব্যক্তিৰ সম্বন্ধত যথা নিৰ্দ্ধাৰিত কৰি দিয়া স্থানীয় সীমাৰ ভিতৰত পৰিদৰ্শক হবৰ বাবে ব্যক্তি সমূহক নিয়োগ কৰিব পাৰে।

(২) এই ধাৰাৰ অধীনত নিযুক্ত প্ৰত্যেক পৰিদৰ্শকক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থ অনুসৰি লোকসেবক বুলি গণ্য কৰা হব (১৮৬০ৰ ৪৫)।

পৰিদৰ্শক সকলৰ ক্ষমতা সমূহ।

৮। (১) ৰাজ্য চৰকাৰে এই মৰ্মে প্ৰণয়ন কৰা কোনো নিয়মাবলী সাপেক্ষে তেওঁ নিযুক্ত হোৱা স্থানীয় সীমাৰ ভিতৰত এজন পৰিদৰ্শকে, —

(ক) এই অধিনিয়ম প্ৰয়োগ হোৱা যিকোনো প্ৰতিষ্ঠানত তেওঁ উপযুক্ত বুলি ভবা এনে সহায়ক সহ, যদি কোনো থাকে, যি চৰকাৰৰ সেবক হয়, প্ৰবেশ কৰিব পাৰে আৰু তাত থাকিব পাৰে ;

(খ) এনে প্ৰতিষ্ঠানৰ আৰু ধাৰা ১০ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত প্ৰণীত নিয়মাবলী অনুসৰি তাত ৰখা যিকোনো অভিলেখৰ, পঞ্জীৰ বা সূচনাৰ এনে পৰীক্ষা কৰিব পাৰে, আৰু যিকোনো ব্যক্তিৰ সেই ঠাইতেই বা অন্যথা এনে সাক্ষ্য গ্ৰহণ কৰিব পাৰে যিবিলাক নেকি এই অধিনিয়মৰ উদ্দেশ্য সমূহ কাৰ্য্যকৰী কৰিবৰ বাবে তেওঁ আৱশ্যক বুলি গণ্য কৰে ;

(গ) এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰিবৰ বাবে আৱশ্যক হোৱা তেনে অন্যান্য ক্ষমতা সমূহ প্ৰয়োগ কৰিব পাৰে।

(২) ধাৰা ১০ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত প্ৰণীত নিয়মাবলী অনুসৰি ৰখা কোনো অভিলেখ, পঞ্জীৰ বা সূচনাৰ অভিৰক্ষাত থকা যিকোনো ব্যক্তি পৰিদৰ্শকে বিচৰা মতে সেইবোৰ দাখিল কৰিবলৈ দায়বদ্ধ হ'ব, কিন্তু কোনো ব্যক্তি যিকোনো প্ৰশ্নৰ উত্তৰ দিবলৈ বাধ্য নহব যদিহে সেই উত্তৰে প্ৰত্যক্ষ বা পৰোক্ষ ভাবে তেওঁকেই অপৰাধী কৰিব খোজে।

দণ্ড সমূহ।

৯। ধাৰা ৩ৰ, ধাৰা ৪ৰ উপবন্ধ সমূহ, ধাৰা ৫ৰ উপধাৰা (১)ৰ, ধাৰা ৬ৰ অধীনত অধিসূচনাৰ দ্বাৰা আৰোপিত আৱশ্যকতা সমূহৰ, অথবা ধাৰা ১০ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত প্ৰণীত নিয়মাবলীৰ কোনো উলংঘন হলে যি প্ৰতিষ্ঠানত এনে উলংঘন হয় সেই প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী জন বা প্ৰতিষ্ঠানটোৰ পৰিচালনাৰ দায়িত্বত থকা অন্য ব্যক্তি প্ৰথম অপৰাধৰ বাবে পচিশ টকা পৰ্য্যন্ত আৰু দ্বিতীয় বা পৰবৰ্ত্তী অপৰাধৰ ক্ষেত্ৰত দুশ পঞ্চাশ টকা পৰ্য্যন্ত অৰ্থ দণ্ডৰে দণ্ডনীয় হব।

নিয়মাবলী।

১০। (১) ৰাজ্য চৰকাৰে অধিসূচনাৰ দ্বাৰা চৰকাৰী ৰাজপত্ৰত পূৰ্ব প্ৰকাশিত চৰ্ত্ত সাপেক্ষে, এই অধিনিয়মৰ উদ্দেশ্য সমূহ কাৰ্য্যকৰী কৰিবৰ বাবে নিয়মাবলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষকৈ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে, —

(ক) ধাৰা ৪ আৰু ৫ৰ প্ৰয়োজনৰ বাবে কোন ব্যক্তিক গোপনীয় কামত বা পৰিচালনাৰ পদত নিযুক্ত বুলি গণ্য কৰা হ'ব তাক পৰিভাষিত কৰিব পাৰে ;

(খ) পৰিদৰ্শক সকলৰ দ্বাৰা কৰা তেওঁলোকৰ ক্ষমতাৰ প্ৰয়োগ আৰু কৰ্তব্যৰ নিৰ্বহন বিনিয়মিত কৰিব পাৰে ;

(গ) যি প্ৰতিষ্ঠান সমূহত এই অধিনিয়ম প্ৰয়োগ হয় সেই সমূহত পঞ্জী আৰু অভিলেখ সমূহ ৰাখিবলৈ আৰু সূচনা সমূহ প্ৰদৰ্শিত কৰিবলৈ কব পাৰে আৰু তাৰ প্ৰপত্ৰ আৰু অন্তৰ্বস্তু বিহিত কৰিব পাৰে ।

[১] [(৩) এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম প্ৰণয়নৰ পিচত যথা শীঘ্ৰে ৰাজ্যৰ বিধান মণ্ডলৰ সমুখত ৰাখিব লাগিব । ]

**ৰেহাই আৰু নিলম্বিতকৰণৰ ক্ষমতা ।**

১১। কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন প্ৰতিষ্ঠান সমূহৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্যখনৰ ভিতৰত থকা আন সকলোবোৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে, যেনে চৰ্ত্ত আৰোপ কৰাটো চৰকাৰে উপযুক্ত বুলি ভাবে তেনে চৰ্ত্ত থাকিলে সেই চৰ্ত্ত সাপেক্ষে এই অধিনিয়ম প্ৰয়োগ হোৱা যিকোনো প্ৰতিষ্ঠানক এই অধিনিয়মৰ সকলো বা কোনো বিনিৰ্দিষ্ট উপবন্ধৰ পৰা ৰেহাই দিব পাৰে, আৰু কোনো মেলা বা উৎসৱৰ অথবা এটাৰ পিচত এটাকৈ হোৱা সাৰ্বজনিক অবকাশৰ দিনৰ সম্বন্ধত কোনো বিশেষ উপলক্ষে কোনো বিনিৰ্দিষ্ট কালৰ বাবে এই অধিনিয়মৰ প্ৰবৰ্তন নিলম্বিত ৰাখিব পাৰে ।

---

১। ১৯৮৬ চনৰ ৪নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তৰ্বিষ্ট কৰা হৈছে (১৫-৫-৮৬ তাংৰ পৰা)।

# The Weekly Holidays Act, 1942

## সাপ্তাহিক অৱকাশ অধিনিয়ম, ১৯৪২

### Glossary of Terms

### পৰিভাষা

| Reference | English Terms | Assamese Equivalent |
|---|---|---|
| Section 1 | Weekly Holiday | সাপ্তাহিক অৱকাশ। |
| " 2(a) | Restaurant | ভোজনালয়। |
| " 2(d) | Hair dresser | কেশ প্ৰসাধক। |
| " 2(d) | Catalogues | তালিকা। |
| " 4 | Leave | ছুটী। |
| " 8(2) | Record | অভিলেখ। |